অসম

২৬ নৱেম্বৰৰ পৰা ৰাজ্যজুৰি অনিৰ্দিষ্টকালীন চকাবন্ধৰ হুংকাৰ মটৰ পৰিবহণ সন্থাৰ

বিভিন্ন দাবী পূৰণৰ দাবীত অহা ২৬ নৱেম্বৰৰ পৰা সমগ্ৰ ৰাজ্যতে অনিৰ্দিষ্টকাললৈ বাণিজ্যিক বাহনৰ চকাবন্ধৰ হুংকাৰ দিছে সদৌ অসম মটৰ পৰিবহণ সন্থাই।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৩



Assam transport

২৪ নৱেম্বৰ, ২০২৬

অহা ২৬ নৱেম্বৰৰ পৰা ৰাজ্যজুৰি অনিৰ্দিষ্টকাললৈ সকলো ধৰণৰ বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখাৰ হুংকাৰ দিছে সদৌ অসম মটৰ পৰিবহণ সন্থাই। নিজৰ কেইবাটাও গুৰুত্বপূৰ্ণ দাবী পূৰণৰ বাবে সন্থাই ৰাজ্য চৰকাৰক ২৫ নৱেম্বৰলৈকে সময়সীমা বান্ধি দিছে। গোলাঘাটত অনুষ্ঠিত সংগঠনটোৰ এক জৰুৰী কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

যোৱা ১৩ নৱেম্বৰত কাজিৰঙাৰ ৰঙাজানত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাৰ পাছতে পৰিবহণ বিভাগে মটৰ যান আইন বলৱৎ কৰাৰ ক্ষেত্ৰত অধিক কঠোৰ স্থিতি গ্ৰহণ কৰিছে। বিভাগৰ এনে পদক্ষেপৰ ফলত বাণিজ্যিক বাহনৰ মালিকসকল ব্যাপক সমস্যাৰ সন্মুখীন হোৱা বুলি অভিযোগ তুলি সন্থাই আন্দোলনৰ পথ বাছি লৈছে।

সন্থাৰ মূল দাবীসমূহ

সদৌ অসম মটৰ পৰিবহণ সন্থাই চৰকাৰৰ ওচৰত কেইবাটাও দাবী উত্থাপন কৰিছে। ইয়াৰ ভিতৰত গতি নিয়ন্ত্রক যন্ত্র আৰু বাহনৰ অৱস্থান নির্ণয়কাৰী যন্ত্র সংস্থাপন কৰা প্রতিষ্ঠানসমূহক চৰকাৰী অনুমোদন তথা নিয়ন্ত্রণৰ অধীনলৈ অনা আৰু প্রতিখন জিলাতে চৰকাৰীভাৱে অনুমোদিত কেন্দ্রৰ জৰিয়তে বাহনৰ ফিটনেছ পৰীক্ষা আৰু প্রমাণপত্র প্রদানৰ ব্যৱস্থা কৰা অন্যতম।

ইয়াৰ উপৰি ই-চালান সম্পর্কীয় অভিযোগ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্রহণ আৰু পৰিবহণ আপীল ন্যায়াধিকৰণ গঠন কৰা, পার্মিট নৱীকৰণৰ প্রক্রিয়া সহজ কৰা আৰু বর্ধিত কৰ তথা মাচুল হ্রাসৰ দাবী জনায় সন্থাই। একেদৰে মূল্যবৃদ্ধিৰ সৈতে সংগতি ৰাখি যাত্রীবাহী বাহনৰ ভাড়া পুনৰ নির্ধাৰণ কৰা, চৰকাৰী কামত ব্যৱহাৰ কৰা বাহনৰ বকেয়া ধন শীঘ্রে আদায় দিয়া আৰু ২০ বছৰতকৈ পুৰণি বাণিজ্যিক বাহন বাতিলৰ ক্ষেত্রত স্পষ্ট নীতি গ্রহণ কৰিবলৈকো সংগঠনটোৱে দাবী জনায়।

২৫ নৱেম্বৰৰ ভিতৰত চৰকাৰৰ সৈতে ফলপ্রসূ আলোচনাৰ মাধ্যমেৰে সমস্যাসমূহ সমাধান নহ'লে ২৬ নৱেম্বৰৰ পৰা যাত্রীবাহী বাছ, চিটি বাছ, টেক্সি, মেজিক, অট'ৰিক্সা আৰু সামগ্রী কঢ়িওৱা ট্রাককে ধৰি সকলো বাণিজ্যিক বাহনৰ চলাচল স্তব্ধ হৈ পৰিব। ফলত সাধাৰণ যাত্রী আৰু ছাত্র-ছাত্রীৰ লগতে অত্যাৱশ্যকীয় সামগ্রী সৰবৰাহতো ব্যাপক সমস্যাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5961/assam-commercial-vehicles-strike-november-26